# 2014

## ASSAMESE

( Major )

Paper : 1.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×১০=১০

(ক) লোকসাহিত্য কাক বোলে ?

(খ) 'বেলাড' শব্দৰ অসমীয়া প্ৰতিশব্দ কি ?

(গ) হৰিবৰ বিপ্ৰৰ পৃষ্ঠপোষক ৰজাজন কোন আছিল ?

(ঘ) 'বভ্ৰুবাহনৰ যুদ্ধ' কাব্যৰ মূল কি ?

(ঙ) মাধৱদেৱৰ শ্ৰেষ্ঠ ৰচনা কি ?

(চ) 'কুমৰ হৰণ' কাব্য কোনে ৰচনা কৰিছিল ?

(ছ) 'ৰাজসূয় কাব্য' কাৰ ৰচনা ?

(জ) 'পাঁচালী' শব্দৰ মূল কি ?

(ঝ) অসমীয়া লিপিৰ প্ৰথম নিদৰ্শন ক'ত পোৱা যায় ?

(ঞ) 'ডুবিৰ তাম্ৰশাসন'খন কোনজন ৰজাৰ ৰাজত্বকালৰ ?

২। *এটা* বা *দুটা* শাৰীত চমু উত্তৰ দিয়া : ২×৫=১০

(ক) অসমীয়া লোকসাহিত্যক কেইটা আৰু কি কি শ্ৰেণীত ভাগ কৰা হৈছে?

(খ) হৰিবৰ বিপ্ৰ ৰচিত দুখন কাব্যপুথিৰ নাম লিখা।

(গ) 'পাঁচালী' সাহিত্যৰ দুটা বিশেষত্ব উল্লেখ কৰা।

(ঘ) শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) মধ্যযুগৰ অসমীয়া লিপিশৈলী কেইটা আৰু কি কি?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অসমীয়া মন্ত্ৰ-সাহিত্য সম্পৰ্কে এটা টোকা লিখা।

(খ) লোকসাহিত্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(গ) মনকৰৰ কাব্য-প্ৰতিভা সম্পৰ্কে চমুকৈ লিখা।

(ঘ) শঙ্কৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঙ) 'কীৰ্ত্তন-ঘোষা'ক কিয় শঙ্কৰদেৱৰ শ্ৰেষ্ঠ ৰচনা আখ্যা দিয়া হয়, লিখা।

(চ) গড়গঞা লিপি সম্পৰ্কে এটা চমু টোকা প্ৰস্তুত কৰা।

(ছ) অনন্ত কন্দলিৰ কাব্য-প্ৰতিভা সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া লোকগীত সম্পৰ্কে এটা প্ৰবন্ধ যুগুত কৰা।

(খ) মাধৱ কন্দলীৰ কাব্য-প্ৰতিভা সম্পৰ্কে আলোচনা কৰা।





(গ) পাঁচালী শব্দৰ অৰ্থ বিচাৰ কৰি সুকবি নাৰায়ণদেৱৰ সাহিত্যকৃতিৰ পৰিচয় দাঙি ধৰা।

(ঘ) শঙ্কৰদেৱৰ সাহিত্যসমূহক ৰচনাৰীতি অনুসৰি কি কি ভাগত ভাগ কৰিব পাৰি? প্ৰতিটো ভাগৰে চমু পৰিচয় দাঙি ধৰা।

(ঙ) শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ সাদৃশ্য-বৈসাদৃশ্য উল্লেখ কৰি এক তুলনামূলক আলোচনা আগবঢ়োৱা।

(চ) অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে আলোচনা কৰা।

(ছ) গছতল শিলালিপি আৰু কানাই বৰশীবোৱা শিলালিপি সম্পৰ্কে চমু টোকা লিখা।

★★★